পাঠ ১৪

N2Z4W6

# গছে যদি খোজ কাঢ়ে



গছে যদি আমাৰ দৰে
পাৰে কথা ক'ব,
গছে যদি খোজ কাঢ়ে
কেনে মজা হ'ব।

ফল আনি গছে যদি
ঘৰে ঘৰে দিয়ে,
আমাৰ পৰা মৰম-চেনেহ
পাতত বান্ধি নিয়ে।

হাবি এৰি গছ যদি
আমাৰ লগত যায়,
চাইকেল, ৰিক্সা, গাড়ীবোৰৰ
কি হ'ব বিলাই।

সৰু-ডাঙৰ গছ মিলি
শাৰী পাতি যাব,
দুয়ো কাষে ল'ৰা-বুঢ়াই
ৰ লাগি চাব।

কেনে মজা হ'ব যে ভাই
কেনে মজা হ'ব,
গছবোৰো আমাৰ দেখোন
লগৰীয়া হ'ব।






**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

  **পদ্যটো স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়োঁ আহা**

  **পদ্যটো আবৃত্তি কৰোঁ আহা**

 **উত্তৰ দিয়া।**

(ক) (১) পদ্যটোত আমাৰ দৰে গছেও কি কি কৰাৰ কথা কল্পনা কৰা হৈছে?
(২) গছে যদি খোজ কাঢ়ে তোমাৰ কেনে লাগিব?
(৩) আমাৰ মৰম-চেনেহবোৰ গছে কিহত বান্ধি নিব?
(৪) হাবি এৰি গছ কাৰ লগত যাব বুলি ভবা হৈছে?
(৫) আমাৰ লগৰীয়া কোন হ'ব বুলি কোৱা হৈছে?

(খ) (১) সৰু-ডাঙৰ গছবোৰ শাৰী পাতি গ'লে কি হ'ব?
(২) হাবি এৰি গছ গুচি গ'লে কাৰ কি অসুবিধা হ'ব?
(৩) গছ তোমাৰ ঘৰলৈ আহিলে তুমি কি কৰিবা?

 **শব্দ সম্ভাৰ আৰু অভিধান চাই তলৰ শব্দবোৰৰ অৰ্থ লিখা।**

| শব্দ | অৰ্থ |
|---|---|
| মজা<br>বিলাই<br>ৰ লাগি<br>লগৰীয়া | |

 **পদ্যটো গদ্য ৰূপত কোৱা আৰু লিখা।**

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**তলৰ খালী ঠাইবোৰত পদ্যটোৰ পৰা শব্দ বহুৱাই সম্পূৰ্ণ কৰা।**

(ক) গছে যদি.........................................
পাৰে কথা ...................................
গছে যদি খোজ কাঢ়ে
...................................................

(খ) সৰু-ডাঙৰ .......................................
শাৰী .............................................
.............................................................ল'ৰা-বুঢ়াই
ৰ লাগি চাব।


(গ) ...................................যে ভাই
কেনে মজা হ'ব,
গছবোৰো .......................................
লগৰীয়া হ'ব।

**খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)**

**পদ্যটোত থকা যুক্তাক্ষৰ দুটা ভাঙি দেখুৱাই দুটাকৈ শব্দ লিখা।**

ক্ষ, ন্ধ

**যুক্তাক্ষৰ গঠন কৰা।**






*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**পদ্যটোৰ পৰা বিচাৰি উলিয়াই লিখা।**

(ক) বিশেষ্য পদবোৰ


যেনে - গছ, ঘৰ................

(খ) বিশেষণ পদবোৰ

যেনে - সৰু, ডাঙৰ...................

(গ) ক্রিয়া পদবোৰ


যেনে - কাঢ়ে, ক'ব....................



**তলৰ শব্দবোৰেৰে একোটাকৈ বাক্য লিখা।**

মজা মৰম-চেনেহ বিলাই লগৰীয়া

**গ— জ্ঞান সম্প্ৰসাৰণ**



**দলত আলোচনা কৰি লিখা।**

(ক) গছে আমাক কি কি দিয়ে?

(খ) গছৰ পৰা আমি কি কি কৰিব পাৰোঁ?

(গ) গছ নাথাকিলে আমাৰ কি হ'ব?

(ঘ) গছ নাথাকিলে পশু-পক্ষীৰ কি হ'ব?

**সাঁথৰ ভাঙা।**

(ক) গছৰ ওপৰত গুটি
গুটিৰ ওপৰত গছ
কোৰাচোন বাৰু মই
কি গছৰ সঁচ?





নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

গছৰ পৰা আমি কি কি পাওঁ?




ভাবি গুণি কোৱা।

- “আমাৰ পৰা মৰম-চেনেহ
  পাতত বান্ধি নিয়ে।”

- যি বিলাক গছৰ পাত নাই সেইবিলাকে কিহত বান্ধি নিব?

- “সৰু-ডাঙৰ গছ মিলি
  শাৰী পাতি যাব,
  দুয়ো কাষে ল’ৰা-বুঢ়াই
  ৰ লাগি চাব।”

- ফল-ফুল নলগা কাঁইটীয়া গছ যদি তেনেকৈ আহে তেনেহ’লে কি হ’ব?

- “হাবি এৰি গছ যদি
  আমাৰ লগত যায়,”

- আশ্ৰয় বিচাৰি অৰণ্যৰ হিংস্ৰ জন্তুবোৰ আহি যদি আমাৰ বাসস্থান পায়হি, কি হ’ব?

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

## জানো আহা

বন্যপ্ৰাণী সংৰক্ষণৰ কাৰণে চৰকাৰৰ দ্বাৰা নিৰ্দিষ্টভাৱে ৰখা অৰণ্যকে অভয়াৰণ্য বোলে। এনে অভয়াৰণ্যত বিলুপ্তিৰ পথলৈ যোৱা বন্যপ্ৰাণীবোৰ চৰকাৰীভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। আনহাতে অৰণ্য হ'ল যিকোনো ডাঠ হাবি।



**দলত আলোচনা কৰি কোৱা।**

— গছে শিপাৰ সহায়ত সাধাৰণতে মাটিৰ পৰা খাদ্য সংগ্ৰহ কৰে। খোজ কাঢ়ি ঘূৰি ফুৰিলে সিহঁতে ক'ৰ পৰা কি খাদ্য খাব?

— খোজ কঢ়া গছে যদি কথাও পাতিব পাৰিলেহেঁতেন তেনেহ'লে তুমি সিহঁতৰ লগত কি কি কথা পাতিলাহেঁতেন?

— তুমিও যদি পানীৰ ওপৰেদি আৰু শূন্যত (বায়ুত) খোজ কাঢ়িব পাৰিলাহেঁতেন তেনেহ'লে তোমাৰ কি কি সুবিধা হ'লহেঁতেন?

— গছে খোজ কাঢ়ি ঘূৰি ফুৰিলে কাৰ কি সুবিধা আৰু অসুবিধা হ'ব?

— অৰণ্য আৰু অভয়াৰণ্যৰ মাজত পাৰ্থক্য কি?



### ঘ — প্ৰকল্প

- **এথোক কলৰ সৈতে এজোপা কলগছৰ ছবি বহীত আঁকা।**

- **তুমি দেখা তিনিবিধ গছৰ আকৃতি-প্ৰকৃতি, ডাল-পাত আৰু ফল-মূলৰ বিষয়ে তলৰ তালিকাত লিখা।**

| গছৰ নাম | আকৃতি/প্ৰকৃতি | ডাল-পাত | ফল-মূল |
|---|---|---|---|
| | | | |
| | | | |
| | | | |
| | | | |

☞ *প্ৰয়োজন অনুসৰি ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*